স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

P-7, 8

# নিয়মীয়া বাৰ্তা

...ৰ ☐ ১ শাওণ ১৯৪৮ শক ☐ ১৪৩৩ ভাস্কৰাব্দ ☐ ১৮ জুলাই ২০২৬ চন ☐ VOL-16 ☐ NO-134 ☐ SATURDAY 18 JULY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDI...

## সুপ্ৰভাত

আজিৰ দিনটোতে—

দিৱস

...ত সংবিধান দিৱস

... এড্‌লফ হিটলাৰে 'মেইন কাম্ফ' প্ৰকাশ কৰে

... ইণ্টেল কেলিফৰ্নিয়াৰ মাউণ্টেইন ভিউত প্ৰতিষ্ঠা

... অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাৰ জন্ম

... বক্সাৰ আশিস কুমাৰ চৌধুৰীৰ জন্ম

নাজিৰাবাসী উৎফুল্লিত হৈ পৰিছে।

### কানৈ মহাবিদ্যালয়ত অনুপ্ৰেৰণামূলক বক্তৃতানুষ্ঠান

# সপোন দেখক, সপোন এদিন বাস্তৱত পৰিণত হ'ব ঃ প্ৰভাকৰ ত্ৰিপাঠী

**বিশেষ বাৰ্তা, ডিব্ৰুগড, ১৭ জুলাই ঃ** 'সপোন দেখক, কাৰণ সপোন এদিন নিশ্চয় বাস্তৱত পৰিণত হ'ব।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত নতুনকৈ নামভৰ্তি কৰা প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৃংখলা, নেতৃত্ব, আত্মবিশ্বাস, দৃঢ়তা আৰু সুস্পষ্ট জীৱন-লক্ষ্য গঢ়ি তোলাৰ উদ্দেশ্যে অনুষ্ঠিত 'জীৱনত অনুপ্ৰেৰণা আৰু উৎসাহৰ কিয় প্ৰয়োজন' শীৰ্ষক এক অনুপ্ৰেৰণামূলক বিষয়ত বক্তৃতা প্ৰদান কৰি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, ডিব্ৰুগড়ৰ উপ-মহাপৰিদৰ্শক প্ৰভাকৰ ত্ৰিপাঠীয়ে আজি এইদৰে কয়। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চি কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি জীৱনত সুনিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণ কৰি শৃংখলাবদ্ধ, অধ্যৱসায়ী আৰু আত্মোন্নয়নৰ পথত আগবাঢ়িবলৈ আহ্বান জনায়। তেওঁ কয় এজন দায়িত্বশীল ব্যক্তিয়েই এখন সুস্থ পৰিয়াল গঢ়ি তোলে, সুস্থ পৰিয়ালেই এখন সুস্থ সমাজ সৃষ্টি কৰে আৰু সুস্থ সমাজেই এটা শক্তিশালী জাতি নিৰ্মাণ কৰে। ত্ৰিপাঠীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সংৰক্ষণ, বহনক্ষম উন্নয়ন আৰু ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয় ভূমিকা গ্ৰহণৰ বাবে আহ্বান জনায়। তেওঁ সামৰিক বাহিনীত উপলব্ধ বিভিন্ন কৰ্মসংস্থাপনৰ সুযোগসমূহৰ বিষয়ে বিশদভাৱে অৱগত কৰে আৰু সময়, পৰিস্থিতি, ব্যক্তিগত আগ্ৰহ অনুসৰি জীৱনৰ লক্ষ্য পৰিৱৰ্তিত হ'ব পাৰে বুলি উল্লেখ কৰি সদায় নিজকে নতুন পৰিস্থিতিৰ সৈতে খাপ খুৱাবলৈ পৰামৰ্শ দিয়ে। তেওঁ প্ৰতিগৰাকী শিক্ষাৰ্থীক অসমৰ উজ্জ্বল নক্ষত্ৰ বুলি অভিহিত কৰি দেশৰ গৌৰৱ বৃদ্ধি কৰিব বুলি গভীৰ আস্থা প্ৰকাশ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সমালোচনামূলক চিন্তাধাৰা, আৱেগিক বুদ্ধিমত্তা, ফলপ্ৰসূ যোগাযোগ দক্ষতা আৰু ৰাজহুৱা বক্তৃতা কলাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ বিভিন্ন অনুপ্ৰেৰণাদায়ক উদাহৰণ উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিকূল পৰিস্থিতিক সাহস, দৃঢ়তা আৰু অধ্যৱসায়েৰে অতিক্ৰম কৰিবলৈ উদ্বুদ্ধ কৰে। অনুষ্ঠানৰ অংশ হিচাপে ষ্টে ফিট যোগ কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালীৰ তত্ত্বাৱধানত ত্ৰিপাঠীয়ে এটি মহানিম গছৰ পুলি ৰোপণ কৰে। অনুষ্ঠানত বিশিষ্ট উদ্যোগপতি বিবেক ডেউৰাই কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত যোগাযোগ দক্ষতা, আজীৱন শিকাৰ আগ্ৰহ আৰু পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই চলাৰ প্ৰয়োজনীয়তাৰ ওপৰত এক সাৱলীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা কৰিশ্মা জে কে বৈষ্ণৱীকে ধৰি বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

